**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headline***
- - - - - - - - - - - - -

১। হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানত ভূয়সী প্ৰশংসা।

২। প্ৰধানমন্ত্ৰী মোদীৰ মন কী বাত অনুষ্ঠানত দেশৰ জনসাধাৰণে গণতন্ত্ৰত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ভোটদাতা দিৱস আৰু নিৰ্বাচন আয়োগৰ ভূমিকাত আলোকপাত।

৩। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পূৰ্বে অসমবাসীক জি পি সিঙৰ ধন্যবাদ জ্ঞাপন।

*আৰু*

৪। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই ৰাজ্যত চলি থকা ৰেট হ'ল মাইনিং বন্ধ কৰিবলৈ অসম আৰক্ষীৰ তৎপৰতা।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানত হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত মানুহ আৰু বন্যপ্ৰাণীৰ সহাৱস্থানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই আমাৰ চৌপাশৰ জন্তু আৰু চৰাইৰ সৈতে মৰম আৰু সহনশীলতাৰে বসবাস কৰিবলৈ শিকাইছে। তেওঁ হাতী আৰু মানুহৰ সংঘাতৰ কথা উল্লেখ কৰি সংগঠনটোৱে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। গাঁওবাসীয়ে ৮০০ বিঘা অনুৰ্বৰ ভূমিত নেপিয়াৰ ঘাঁহ খেতি কৰি হাতীক খাদ্যৰ যোগান ধৰি আহিছে, যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ কৃষিপথাৰত হাতীৰ উপদ্ৰৱ তুলনামূলকভাৱে হ্ৰাস পাইছে। ইয়াৰ লগতে হাতী-মানুহৰ সংঘাতো কিছু পৰিমাণে নিৰ্মূল কৰাত সহায়ক হৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ প্ৰদীপ ভূঞা, বিনোদ দুলু বৰা আৰু মেঘনা ময়ূৰ হাজৰিকা নামৰ কেইগৰাকীমান প্ৰকৃতিপ্ৰেমীয়ে হাতীবন্ধুৰ হৈ এই পদক্ষেপ গ্ৰহণ কৰিছিল। হাতী মানুহৰ সংঘাতক লৈ কৃপাল কলিতাৰ দ্বাৰা পৰিচালিত হাতীবন্ধু শীৰ্ষক তথ্যচিত্ৰখনেও বহুল সমাদৰ লাভ কৰিছে। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে হাতীবন্ধুৰ এই প্ৰচেষ্টাৰ কথা উল্লেখ কৰাৰ পাছত বিনোদ দুলু বৰাই প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ঃবাইটঃ

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ ১১৮ সংখ্যক খণ্ডটিত দেশবাসীক সম্বোধন কৰি মহাকাশ খণ্ডত দেশৰ শেহতীয়া সাফল্যৰ প্ৰশংসা কৰে। বাংগালুৰুত থকা ভাৰতীয় মহাকাশ প্ৰযুক্তি ষ্টাৰ্ট আপ পিকচেলৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে দেশৰ প্ৰথমটো ব্যক্তিগত উপগ্ৰহ নক্ষত্ৰ ফায়াৰফ্লাইৰ সফল উৎক্ষেপনৰ কথা উল্লেখ কৰে। তেওঁ

কয়, যে মহাকাশ ক্ষেত্ৰত ভাৰতৰ আত্মনিৰ্ভৰতাৰ ক্ষেত্ৰত এয়া এক উল্লেখযোগ্য সোপান। এই প্ৰযুক্তিৰ গুৰুত্বৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে মহাকাশ কেন্দ্ৰ আৰু ক্ৰু মিছনলৈ যোগান প্ৰেৰণৰ বাবে এই প্ৰযুক্তিৰ প্ৰয়োজন আছে। তেওঁ কয়, যে এনে সফলতা লাভ কৰা ভাৰত হৈছে পৃথিৱীৰ চতুৰ্থখন দেশ।

প্ৰধানমন্ত্ৰী মোদীয়ে ৭৫ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে দেশৰাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ বাবা চাহেব আম্বেদকাৰ, ড০ ৰাজেন্দ্ৰ প্ৰসাদ আৰু ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ কথা উল্লেখ কৰি কয়, যে এই সকল মহান নেতাৰ উচ্চ চিন্তাধাৰাৰ পৰা দেশবাসীয়ে প্ৰেৰণা লোৱা উচিত।

শ্ৰীমোদীয়ে অহা ২৫ জানুৱাৰীত উদযাপন কৰিবলগীয়া ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ বিষয়তো আলোকপাত কৰে। দেশৰ জনসাধাৰণে গণতন্ত্ৰত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় ভোটদাতা দিৱস আৰু নিৰ্বাচন আয়োগৰ ভূমিকাৰ কথাও তেওঁ গুৰুত্ব সহকাৰে উল্লেখ কৰে।

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই মেলা হৈছে সাম্য আৰু মহা মিলনৰ সন্মিলন। এই মেলাৰ মাজেৰে দেশৰ বৈচিত্ৰ্যৰ মাজত একতা উদযাপন কৰা হৈছে। কুম্ভমেলাত বৃহৎ সংখ্যক যুৱ প্ৰজন্মৰ অংশগ্ৰহণৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে দেশৰ যুৱ প্ৰজন্মই গৌৰৱময় সভ্যতাৰ সৈতে সংযুক্ত হৈ ইয়াৰ শিপা শক্তিশালী কৰি তুলিছে।

অযোধ্যাৰ ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠা পৰ্বৰ প্ৰথমবাৰ্ষিকী পূৰ্তিৰ এই সময়তে লাখ লাখ লোকে ৰামলালা দৰ্শন কৰি আশীৰ্বাদ লোৱাৰ বিষয়েও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ মন কী বাত অনুষ্ঠানত উল্লেখ কৰিছে।

অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ নাগৰিক দীপক নাৱামৰ বিষয়েও শ্ৰীমোদীয়ে মন কী বাতত উল্লেখ কৰে। সমাজ আৰু পৰিৱেশৰ উন্নয়নৰ বাবে কাম কৰি অহা দীপক নাৱামে মানসিকভাৱে অসুস্থ, শাৰীৰিক প্ৰতিবন্ধী লোক, বৃদ্ধ আৰু নিচাযুক্ত দ্ৰব্য সেৱনকাৰী লোকসকলৰ যত্ন লৈ আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিকোবৰৰ নাৰিকল তেলে জি আই টেগ লাভ কৰা কাৰ্যতো সন্তোষ প্ৰকাশ কৰে। জনগোষ্ঠীসমূহক অৰ্থনৈতিকভাৱে সৱল কৰি তোলাত এই ধৰণৰ কাৰ্যই বিশেষ ভূমিকা পালন কৰিছে বুলিও শ্ৰীমোদীয়ে তেওঁৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহান শিক্ষাবিদ, সাহিত্যিক, প্ৰশাসক আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এটা বাৰ্তাত তেওঁ কয়, যে জনজাতীয় জীৱনক সমৃদ্ধ কৰা অসম সন্তান আনন্দ ৰাম বৰুৱা শিক্ষা, সাহিত্য আৰু প্ৰশাসনৰ ক্ষেত্ৰত এক উজ্জ্বল নক্ষত্ৰ আছিল। পণ্ডিত আনন্দ ৰাম বৰুৱা কেৱল প্ৰথম অসমীয়া প্ৰশাসনীয় বিষয়াই নহয় বৰং সংস্কৃত ভাষা আৰু সাহিত্যৰ জ্ঞানৰ বাবেও বিখ্যাত আছিল। এইগৰাকী মহান ব্যক্তিৰ পাণ্ডিত্য, প্ৰশাসনিক দক্ষতা আৰু দেশপ্ৰেমে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব। আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন দল-সংগঠনেও আজি তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে আজি জিলাখনৰ ঐতিহাসিক উৰপদ বিলত উপস্থিত হৈ বিজেপিৰ এখন কৰ্মী সভাত অংশগ্ৰহণ কৰাৰ লগতে বিলখন পৰিদৰ্শন কৰে। বিলখন পৰিদৰ্শন কৰি তেওঁ কয়,যে ৰাজ্য চৰকাৰৰ ফালৰ পৰাও বিলখনৰ যথেষ্ট উন্নয়ন কৰা হৈছে যদিও ইয়াৰ অধিক উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। বিলখনৰ কিছু অংশ বেদখলকাৰীৰ কবলত পৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে চৰকাৰে বেদখল মুক্ত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। আগিয়াৰ সমীপত থকা প্ৰায় ৩হাজাৰ ৫০০ বিঘা আয়তনৰ বিলখনক অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে জিলা প্ৰশাসনে কেতবোৰ আঁচনি হাতত লৈছে। ইয়াৰে অংশ

হিচাপে লোকনির্মাণ বিভাগে বিলখনৰ চাৰিওফালে ১৮ কোটি টকা ব্যয়ৰে মথাউৰি নিৰ্মাণ কৰি খোজকঢ়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে বিলখন সংৰক্ষণৰ ব্যৱস্থা কৰি বনভোজস্থলী আৰু পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত স্থানীয় ৰাইজেও সহযোগ আগবঢ়াইছে।

00000000

অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ দৰ্শন কৰে। বিজেপিৰ নৱনিযুক্ত সভাপতিগৰাকীয়ে সত্ৰৰ সমীপৰ নহাটীত দলীয় কৰ্মকৰ্তা আৰু ৰাইজৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মন কী বাত অনুষ্ঠানটিও শুনে। শ্ৰীশইকীয়াই ইয়াৰ পাছত পুনৰ সত্ৰত উপস্থিত হৈ কীৰ্তন ঘৰৰ চৌদিশ পৰিদৰ্শন কৰে। সভাপতিগৰাকীয়ে ৰাজ্য চৰকাৰে সত্ৰ, নামঘৰ আদিকে ধৰি ধৰ্মীয় স্থানসমূহৰ উন্নয়নৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। বিশেষকৈ অসম দৰ্শন আঁচনিৰ অধীনত সত্ৰ, নামঘৰ আদিত যথেষ্ট উন্নয়ন সাধন কৰা হৈছে বুলি তেওঁ কয়। বৰদোৱাৰ দৰে বৰপেটা সত্ৰ উন্নয়নৰ বাবেও অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীশইকীয়াই কয়,যে বৰপেটাতে মহাপুৰুষ দুজনাই অধিক সময় অতিবাহিত কৰিছিল। সেয়েহে বৰপেটাত থকা গুৰু দুজনাৰ স্মৃতি আৰু কৰ্মৰাজিৰ সংৰক্ষণৰ বাবে চৰকাৰে কাম কৰি আহিছে আৰু আগন্তুক দিনত যথেষ্ট কাম কৰিব।

000000000

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণৰ পূৰ্বে জি পি সিঙে অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। শিৱসাগৰৰ আৰক্ষী অতিথিশালাত অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীসিঙে কয়, যে অসমৰ জনসাধাৰণ যথেষ্ট মৰমীয়াল। অসমত কাম কৰা সুন্দৰ অভিজ্ঞতাৰে তেওঁ নতুন দায়িত্ব নিয়াৰিকৈ পালন কৰি যাব বুলি আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় চৰকাৰে জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হিচাপে নিযুক্তি দিছে। এই সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এনে এক গুৰু দায়িত্ব অৰ্পণ কৰাটো তেওঁৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

১৯৯১ বেটছৰ অসম-মেঘালয় কেদাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া শ্ৰীসিং পূৰ্বে কেন্দ্ৰীয় ডেপুটেচনত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাত আৰক্ষী মহাপৰিদৰ্শক হিচাপে নিয়োজিত হৈ আছিল। ২০১৯ চনত তেওঁক অসমলৈ ঘূৰাই আইন শৃংখলাৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব দিয়া হয়। ২০২৩ চনৰ ৩১ জানুৱাৰীত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছিল।

00000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতেই অসম আৰক্ষীয়ে ৰাজ্যত চলি থকা ৰেট হ'ল মাইনিং অৰ্থাৎ এন্দুৰৰ গাঁত সদৃশ কয়লা খনিৰ খনন বন্ধ কৰিবলৈ তৎপৰতা গ্ৰহণ কৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে ৭ দিনৰ ভিতৰত ৰেট হ'ল মাইনিং বন্ধ কৰা হ'ব। মাৰ্ঘেৰিটা, লিডু, লেখাপানী আদি অঞ্চলত এতিয়াও ৰেট হ'ল মাইনিং চলি আছে বুলি তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ এইদৰে কয় -

ঃবাইটঃ

00000000

ৰাজ্য চৰকাৰৰ উদ্যোগত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত ৭ হাজাৰ ৫০০ৰো অধিক শিল্পীৰ অংশগ্ৰহণেৰে সৰ্ববৃহৎ ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহবাগিছাসূহৰ পৰা অংশগ্ৰহণ কৰিবলগীয়া নৃত্য শিল্পীসকলৰ ব্যৱস্থাপনা সন্দৰ্ভত কলিয়াবৰ সমজিলা প্ৰশাসন, গাঁও পঞ্চায়তসমূহৰ সচিব আৰু প্ৰশিক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়। নৃত্য প্ৰদৰ্শন অনুষ্ঠানত অংশগ্ৰহণৰ ক্ষেত্ৰত বাছনিৰ বাবে পঞ্জীয়ন,

বাছনিভুক্তসকলৰ প্ৰশিক্ষণ আদি বিভিন্ন দিশ সন্দৰ্ভত তেওঁ পৰামৰ্শ আগবঢ়ায়। এডভাণ্টেজ আছামৰ প্ৰাক্‌ক্ষণত ঝুমুৰ নৃত্য শিল্পীসকলৰ প্ৰদৰ্শনেৰে সমগ্ৰ বিশ্ব মন্ত্ৰমুগ্ধ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰিছে।

০০০০০০০০

বিশিষ্ট সাংবাদিক, সাহিত্যিক ৰাধিকা মোহন ভাগৱতীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি গুৱাহাটী মহানগৰীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ প্ৰেক্ষাগৃহত এখন বিশেষ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত গল্পকাৰ, চলচ্চিত্ৰ সমালোচক অপূৰ্ব শৰ্মাই ৰাধিকা মোহন ভাগৱতীৰ নিৰ্বাচিত সম্পাদকীয় শীৰ্ষক এখন সংকলন উন্মোচন কৰে।

০০০০০০০০০

চিৰাং জিলাৰ ভূমিস্থ পাহাৰৰ নামনিত কঁজিয়া নৈৰপাৰত দুদিনীয়াকৈ আজি মাগৌ দোমাসী উৎসৱ আয়োজন কৰা হৈছে। ভূমিস্থ পাহাৰ ইক'টুৰিজিম সমিতিৰ উদ্যোগত আয়োজিত চতুৰ্থ মাগৌ দোমাসী উৎসৱৰ দুৱাৰ চিদলি বিধানসভা সমষ্টিৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মাই মুকলি কৰে। দোমাসী উপলক্ষে বিভিন্ন জাতি জনগোষ্ঠীৰ সাংস্কৃতিক কাৰ্যক্ৰম আৰু জনগোষ্ঠীয় খাদ্য সম্ভাৰো প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰিছে। মাগৌ দোমাসী উৎসৱৰ কাৰ্যসূচীত বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মাৰ লগতে চিৰাং জিলা সাহিত্য সভাৰ সভাপতি নগেন নাৰ্জাৰী, সম্পাদক দপেন বসুমতাৰীকে ধৰি বহু সংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০০

তামুলপুৰৰ ভূটান সীমান্তত তেল মাফিয়াৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই পেট্ৰ'ল ভৰ্তি ৫খন অবৈধ বাহন জব্দ কৰাৰ লগতে ছগৰাকী লোকক আটক কৰে। ভূটানৰ পৰা পুৱতি নিশা অবৈধভাৱে পেট্ৰ'ল আনি থকা অৱস্থাত এই বাহনসমূহ আৰক্ষীয়ে জব্দ কৰে। উল্লেখযোগ্য যে, ভূটানত ৬৩টকাত ক্ৰয় কৰা পেট্ৰ'ল অবৈধভাৱে তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ বজাৰত অতিৰিক্ত দামত তেল মাফিয়াসকলে বিক্ৰী কৰি আহিছে। তেল মাফিয়াৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে।

০০০০০০০০

বাক্সা জিলাৰ জালাহৰ তালচিকুৰ সমন্বয় ক্ষেত্ৰত যোৱা ১৭ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ জালাহ অধিবেশনৰ আজি সামৰণি পৰে। এই উপলক্ষে দিনৰ ভাগত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বি টি আৰৰ প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা, উৰ্খাও গৌড়া ব্ৰহ্মকে ধৰি বি টি আৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য, পাৰিষদৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

০০০০০০০০

শিৱসাগৰ জিলাৰ খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু খনামুখ শ্ৰীশংকৰদেৱ কলা কৃষ্টি কেন্দ্ৰৰ প্ৰাংগণত প্ৰাক্তন শৰণাচায্য আৰু প্ৰচাৰক প্ৰয়াত শুদ্ধ গগৈ সমন্বয় ক্ষেত্ৰত ১৭ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ শ্ৰীমন্ত শংকৰ সংঘৰ শিৱসাগৰ জিলা শাখাৰ ৭২ সংখ্যক অধিবেশন অনুষ্ঠিত হৈছে। আজি অধিবেশনৰ অন্তিম দিনা খনামুখ খেলপথাৰৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

০০০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ চিমেন চাপৰিত আজি ধেমাজি জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ স্থায়ী প্ৰশাসনিক ভৱন, মূল পথৰ লগতে পানী যোগান ব্যৱস্থাৰ শুভ উদ্বোধন কৰা হয়। ২০২৩ বৰ্ষত ১৪০ বিঘা ভূমিত আৰম্ভ হোৱা ধেমাজি জিলা কৃষি বিজ্ঞান কেন্দ্ৰতো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগু, জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়া, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচায্যৰ লগতে কেইবাজনো লোক উপস্থিত থাকে।

০০০০০০০০

মাজুলিৰ মায়ামৰা আজলী আইথানৰ বাৰ্ষিক থান সেৱা উৎসৱ ভাগি প্ৰতিবছৰে মাঘ মাহৰ প্ৰথমটো দেওবাৰে অনুষ্ঠিত কৰি অহা হৈছে। এইবেলিও থানখনলৈ কেইবা হাজাৰৰো দৰ্শনাৰ্থী আগমণ ঘটিছে। মায়ামৰা সমাজৰ আদ্যগুৰু অনিৰুদ্ধ দেৱৰ মাতৃ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভগ্নী এই আজলী আইয়ে মানৰ আক্ৰমণৰ সময়ত মাজুলিত গোপনে বাহৰ পাতি আছিল আৰু তাত শেষ নিশ্বাস ত্যাগ কৰিছিল। আজলী আইয়ে শেষ নিশ্বাস ত্যাগ কৰা দিনটোতে তেওঁক সোঁৱৰি প্ৰতিবছৰে মায়ামৰা সমাজে থানত বাৰ্ষিক নাম-কীৰ্তনৰ আয়োজন কৰে।

০০০০০০০০

অসম আৰক্ষীৰ বিশেষ টাস্ক ফোৰ্চে অপাৰেচন প্ৰঘাতৰ অধীনড়ত জেহাদী কাৰ্যকলাপৰ বিৰুদ্ধে আন এক সফলতা লাভ কৰিছে। টাস্ক ফোৰ্চে ধুবুৰী জিলাৰ খুদিগাঁৱত অভিযান চলাই জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত এজনক গ্ৰেপ্তাৰ কৰে। এতিয়ালৈ বিশেষ টাস্ক ফোৰ্চে বাংলাদেশী নাগৰিকসহ মুঠ ১২জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। এইসকল অভিযুক্তৰ পৰা তদন্তকাৰী সংস্থাটোৱে বৃহৎ পৰিমাণ অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক আৰু আপত্তিজনক নথিপত্ৰ জব্দ কৰিছে।

০০০০০০০০

নগাঁৱৰ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা দক্ষিণ হয়বৰ গাঁও নিবাসী বিশিষ্ট শিক্ষাবিদ ড০ নগেন্দ্ৰ নাথৰ কালি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

০০০০০০০০

সমাপ্ত